# Prime Minister’s visit to Mayadevi Temple in Lumbini, Nepal

May 16, 2022

## নেপালৰ লুম্বিনিৰ মায়াদেৱী মন্দিৰ পৰিদৰ্শন প্ৰধানমন্ত্ৰীৰ

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে এদিনীয়া লুম্বিনি ভ্ৰমণসূচীৰে 16 মে’, 2022ত মায়াদেৱী মন্দিৰ পৰিদৰ্শন কৰে। প্ৰধানমন্ত্ৰীক সংগ দিয়ে নেপালৰ মাননীয় প্ৰধানমন্ত্ৰী শ্বেৰ বাহাদুৰ দেউবা আৰু তেওঁৰ পত্নী ড০ আৰ্জু ৰাণা দেউবাই।

2.ভগৱান বুদ্ধ যিস্থানত জন্মগ্ৰহণ কৰিছিল, সেই স্থানৰ চিহ্নিত ফলকত দুয়োগৰাকী নেতাই শ্ৰদ্ধা নিবেদন কৰে। তেওঁলোকে বৌদ্ধ ৰীতি-নীতি অনুসৰি পূজা অৰ্চনা কৰে।

3.দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে মন্দিৰসংলগ্ন অশোকস্তম্ভত বন্তি প্ৰজ্বলন কৰে। প্ৰথম সূত্ৰলিপি অনুসৰি সম্ৰাট অশোকে খ্ৰীষ্টপূৰ্ব ২৪৯ত ভগৱান বুদ্ধৰ জন্মস্থান লুম্বিনীত সেই স্তম্ভটো নিৰ্মাণ কৰিছিল।

ইয়াৰ পাছতে দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে বোধিবৃক্ষৰ পুলিত পানী দিয়ে, যিটো ২০১৪ চনত প্ৰধানমন্ত্ৰী মোদীয়ে উপহাৰ হিচাপে বুদ্ধগয়াৰ পৰা লুম্বিনীলৈ প্ৰেৰণ কৰিছিল। তেওঁলোকে মন্দিৰৰ ভিজিটৰ্ছ বুকতো স্বাক্ষৰ কৰে।

**লুম্বিনি**

**মে 16, 2022**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.